**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-01-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ন্যায়িক খণ্ডৰ উত্তৰণৰ দিশত নতুন দিগন্তৰ সূচনাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে আজি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে। দুটা পৰ্যায়ত মুঠ এহেজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষে ১৪৮ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই আদালত চৌহদত উচ্চ ন্যায়ালয় ভৱন, অধিবক্তাৰ ভৱন আৰু উচ্চ ন্যায়ালয়ৰ কাৰ্যালয় ভৱন, কামৰূপ আৰু কামৰূপ মহানগৰ জিলা আদালতকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই নতুন ভৱন এখন নতুন আৰু আধুনিক অসমৰ পৰিচয় হ'ব বুলি মন্তব্য কৰে। তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই নতুন চৌহদে ন্যায় ব্যৱস্থাৰ বৰ্ধিত প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰে। ড০ শৰ্মাই লগতে ন্যায়িক আন্তঃগাঁথনি উন্নয়নৰ দিশত এই নতুন চৌহদ নিৰ্মাণ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি উল্লেখ কৰে। তেওঁ কয় যে এই নতুন ভৱনত প্ৰথমতে ৩১টা আদালত কক্ষ থাকিব, য'ত অধিবক্তা আৰু গোচৰীয়া সকলোৰে বিচাৰ প্ৰক্ৰিয়া চাব পাৰিব। তদুপৰি অধিবক্তাৰ বাবে ৩০০টা চেম্বাৰ আৰু দুহেজাৰ অধিবক্তা বহিব পৰা স্থানৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰংমহলৰ পথটোৰে জিলা আদালতৰ প্ৰয়োজনীয়তা পূৰণ কৰিব আৰু উচ্চ ন্যায়ালয়ৰ বাবে এটা চাৰিলেনযুক্ত পথ নতুনকৈ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই সভাতে অহা ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা দলংখন উদ্বোধন কৰিব বুলি সদৰি কৰে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থাকে। অনুষ্ঠানত দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়ে ভাৰ্চুৱেল পদ্ধতিৰে অংশগ্ৰহণ কৰে।

ইপিনে, ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপনৰ দিনাও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে অনশন কাৰ্যসূচী অব্যাহত ৰাখে। যোৱা ৮ জানুৱাৰীৰ পৰা বাৰ এছোচিয়েচনে উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি অনশন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। গুৱাহাটী উকিল সন্থাইও আজি এই স্থানান্তৰ প্ৰক্ৰিয়াৰ বিৰোধিতাৰে আদালত চৌহদত অনশন কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০

সদৌ অসম চুতীয়া জাতি সন্মিলনৰ উদ্যোগত আৰু চুতীয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত তিতাবৰৰ জালুকনিবাৰী বীৰপাল ক্ষেত্ৰত অনুষ্ঠিত চুতীয়া সাংস্কৃতিক আৰু জনগোষ্ঠীয় সমাৰোহত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে

অসমৰ অতি প্ৰাচীন জাতি চুতীয়াসকলৰ সোণালী ইতিহাস, গৌৰৱময় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতিফলনেৰে আয়োজন কৰা এই অনুষ্ঠানত ভাগ লৈ তেওঁ অতিশয় আনন্দিত হৈছে। বহু ঐতিহাসিক ঘটনাৰাজি আৰু বীৰ বীৰাঙ্গনাৰ কালজয়ী গাথাঁ চুতীয়া জাতিৰ ইতিহাস পৰিপূৰ্ণ হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ ধাৰক আৰু বাহক চুতীয়া জাতি প্ৰচুৰ সম্ভাৱনাৰে ভৰপূৰ। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী বিমল বৰাই ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়নত চুতীয়া জনগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উত্তৰণৰ বাবে মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহতো আলোকপাত কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্তসকলৰ বিৰুদ্ধে লগোৱা ধাৰাৰ বিপৰীতে থকা তথ্যসমূহে বিচাৰ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে এই গোচৰত লোক অধিবক্তাৰ দায়িত্ব অৰ্পণ কৰা অধিবক্তাগৰাকীয়ে আজি সাংবাদিকৰ আগত কয় যে গোচৰ সংক্ৰান্তত আদালতত আইনগত প্ৰত্যাহ্বান থাকিব যদিও অভিযোগনামাখন বিস্তৃতভাৱে পঢ়ি চোৱাৰ পাছতহে সকলো কথা স্পষ্টকৈ ধাৰণা কৰিব পৰা যাব। ১৭ জানুৱাৰীত গোচৰৰ পৰৱৰ্তী শুনানিৰ বিষয়ে উল্লেখ কৰি অধিবক্তাগৰাকীয়ে কয় যে আদালতত এই গোচৰটোৰ শুনানিৰ পূৰ্বৰ প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰা হ'ব।

বাইট

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে সেইদিনাই গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। শ্ৰীমোদীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব ।

প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী পীযুষ হাজৰিকা আৰু কেশৱ মহন্তই আজি কলিয়াবৰৰ মৌচন্দা পথাৰত উপস্থিত হৈ শ্ৰীমোদীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০

গুজৰাটৰ বডোডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৪৭ অভাৰত ৬টা উইকেট হেৰুৱাই ২৮৩ ৰান সংগ্ৰহ কৰিছে। বিৰাট কোহলীয়ে ৯৩, শুভমন গীলে ৫৬ আৰু শ্ৰেয়াছ আয়াৰে ৪৯ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ কাইল জেমিছনে চাৰিটা উইকেট দখল কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**